৬। (ক) 'আহাৰ' নাটকৰ কাহিনীত 'এবচাৰ্ড' নাটকৰ বিশেষত্ব কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'আহাৰ' নাটকৰ সংলাপ সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা লিখা।

৭। (ক) "চালখন ধপ্‌ধপাইছে—
যদি উৰি যায়—
মাৰলিত ধৰি
ময়ো উৰি যাম—
ঈগল পখীৰ দৰে ... উৰি ... ম ..."

সংলাপটিৰ বক্তা কোন? এই বক্তাজন (চৰিত্ৰটো)ৰ সংলাপৰ মাজেৰে কেনেধৰণৰ জীৱনবোধ প্ৰকাশ পাইছে, আলোচনা কৰা। ১+৯=১০

*অথবা*

(খ) "গোটেই মজিয়াখন পানী। যেন ৰঙা নদীখন বৈ আহিছে। (দীঘল দীঘল খোজ দিয়ে) ক'ত থিয় দিওঁ। ক'লৈ যাওঁ। হে ভগবান! এই মহাপ্ৰলয় সামৰি লোৱা।" কথাষাৰৰ আলমত 'উৰুখা' নাটকৰ মাজেৰে প্ৰকাশ পোৱা জীৱনৰ অস্থিৰতা, সংকটৰ বিষয়ে আলোচনা কৰা। ১০

★★★

**2021**

( Held in 2022 )

# ASSAMESE

Paper : ASM–HC–5016

( অসমীয়া নাটক আৰু পৰিবেশনশৈলী )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অসমৰ প্ৰাচীন লোকনাট্য অনুষ্ঠান এটিৰ নাম লিখা।

(খ) 'ঝুমুৰা'ৰ এটি বিশেষত্ব লিখা।

(গ) এখন অসমীয়া এবচাৰ্ড নাটকৰ নাম লিখা।

(ঘ) অসমৰ প্ৰাচীন নাট মঞ্চ (নাট পৰিবেশনৰ স্থান) এখনৰ নাম লিখা।

(ঙ) 'অৰ্জুন ভঞ্জন' নাটৰ আন এটা নাম কি?

 *(Turn Over)*

(চ) 'ৰুক্মিণী হৰণ' নাটৰ কাহিনীভাগৰ মূল কি?

(ছ) 'নীলাম্বৰ' নাটকৰ মুঠ চৰিত্ৰসংখ্যা কিমান?

(জ) 'আহ্বান' নাটকৰ প্ৰেয়সী চৰিত্ৰটোৰ নাম কি?

(ঝ) 'উকথা' শব্দৰ অৰ্থ কি?

(ঞ) 'ৱেটিং ফৰ গডো' নাটকখনৰ নাট্যকাৰ কোন?

২ । চমু উত্তৰ দিয়া : ২×৫=১০

(ক) উত্তৰ-শংকৰী যুগৰ দুখন নাটৰ নাম লিখা।

(খ) অংকীয়া নাটত সন্নিবিষ্ট দুবিধ গীতৰ (শ্লোক আৰু ভটিমাক সামৰি) নাম লিখা।

(গ) ৰুক্মিণীৰ পিতৃ আৰু ভাতৃৰ নাম লিখা।

(ঘ) 'আহ্বান' নাটকৰ প্ৰথম অংকৰ মঞ্চসজ্জাত থকা গেটখনৰ নাম কি? গেটখনত কেইটা স্তম্ভ আছে?

(ঙ) উত্তৰ-স্বাধীনতা যুগৰ অসমীয়া নাটকৰ দুটা বিশেষত্ব লিখা।

৩ । তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'নীলাম্বৰ' নাটকৰ যি কোনো এটি পুৰুষ চৰিত্ৰৰ চাৰিত্ৰিক বিশেষত্ব বিশ্লেষণ কৰা।

(খ) 'ৰুক্মিণী হৰণ' নাটত শংকৰদেৱৰ মৌলিকত্ব ক'ত ক'ত প্ৰকাশ পাইছে, আলোচনা কৰা।





(গ) 'উকথা' নাটকৰ বনশ্ৰী চৰিত্ৰটিৰ হতাশাৰ এটি বিৱৰণ দাঙি ধৰা।

(ঘ) "ৰং, খহি পৰা বেৰ
উৱলি যোৱা মাৰলি—
এনে পৰিবেশত কবিতাৰ হৃদয়ক বুজিব নোৱাৰি।"

কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল, লিখা।

১+১+৩=৫

(ঙ) 'আহ্বান' নাটকত নলিনীয়ে নিজৰ সংসাৰ আৰু পত্নী অণিমা সেই সংসাৰত নিমজ্জিত হৈ পৰাৰ বিৱৰণ কেনেদৰে দিছে?

(চ) অসমীয়া লোকনাট্যৰ পৰিবেশনশৈলী সম্পৰ্কে এটি টোকা লিখা।

৪ । (ক) অংকীয়া নাটৰ পৰিবেশনশৈলীৰ বিৱৰণ দিয়া। ১০

*অথবা*

(খ) অংকীয়া নাটৰ আহাৰ্যৰ বিষয়ে লিখা।

৫ । (ক) অসমীয়া নাটকৰ পৰিবেশনশৈলীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) নাটক পৰিবেশনত 'মঞ্চ'ৰ গুৰুত্ব কিমান সেই বিষয়ে 'নীলাম্বৰ' নাটকৰ আধাৰত এটি প্ৰবন্ধ যুগুত কৰা।

# 2021

( Held in 2022 )

ASSAMESE

Paper : ASM–HC–5026

( অসমীয়া ব্যাকৰণ )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা *এটা* বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া ভাষাত অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ কোনে ৰচনা কৰিছিল ?

(খ) "ব্যাকৰণ মাত্ৰৰে তলিখন ফুটা (All grammars leak)" কথাষাৰ কোনে কৈছিল ?

(গ) বাগযন্ত্ৰৰ আটাইতকৈ কাৰ্যক্ষম উচ্চাৰণকৰণটোৰ নাম কি ?

(ঘ) 'ধ্বনি বিজ্ঞানৰ ভূমিকা' নামৰ গ্ৰন্থখনৰ লিখকগৰাকীৰ নাম কি ?

(ঙ) অসমীয়া ভাষাত উষ্ম ধ্বনিৰ সংখ্যা কেইটা ?

(চ) স্বৰৰ অনুনাসিকতা অসমীয়া ভাষাত বিশিষ্টনে ?

(ছ) শূন্য বিভক্তি কাক বোলে ?

(জ) ব্যাকৰণত বচন কাক বোলে ?

(ঝ) নতুন বাগ্‌বিজ্ঞানত বাক্য বিশ্লেষণৰ তাত্ত্বিক দুৱাৰ কোনে মুকলি কৰিছিল ?

(ঞ) কি বাক্যৰ পৰা ৰূপান্তৰিত বাক্য সাজিব পাৰি ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া ভাষাৰ ইংৰাজী মাধ্যমেৰে ৰচনা কৰা, প্ৰথম আৰু দ্বিতীয় ব্যাকৰণ দুখন কোনে ৰচনা কৰিছিল ?

(খ) বিভাজ্য আৰু অবিভাজ্য ধ্বনিৰ দুটা পাৰ্থক্য লিখা।

(গ) অসমীয়া ভাষাৰ কাৰক সাধনৰ উপায় দুটা কি কি ?

(ঘ) নিয়ত (Stop) ধ্বনি মানে কি ? উদাহৰণ দি বুজাই লিখা।

(ঙ) গঠনৰ ফালৰ পৰা অসমীয়া ভাষাত কেইশ্ৰেণীৰ পদ পোৱা যায় ? কি কি ?





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) "ভাষাৰ ব্যাকৰণ নানা প্ৰকাৰৰ হ'ব পাৰে, যদিও তিনি প্ৰকাৰৰ বুলি আলোচনা কৰা হয়।" সেই তিনি প্ৰকাৰৰ ব্যাকৰণৰ নাম উল্লেখ কৰি পৰিচয় দিয়া।

(খ) সুৰ লহৰ বুলিলে কি বুজা ? অসমীয়া ভাষাত সুৰ লহৰৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা।

(গ) ব্যাকৰণগত বিষয় কাক বোলে ? অসমীয়া ভাষাৰ সম্বন্ধ বুজোৱা বিশেষ্যৰ পুৰুষবাচক ৰূপবোৰ ব্যাকৰণগত বিষয়নে ? বুজাই লিখা।

(ঘ) বচন নিৰপেক্ষ ৰূপ কি ? ইয়াৰ পৰা একবচন আৰু বহুবচনৰ ৰূপ কেনেদৰে পাব পাৰি ? বুজাই লিখা।

(ঙ) নঞৰ্থক ক্ৰিয়া কাক বোলে ? অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়াপদৰ গঠন সম্পৰ্কে আলোচনা কৰা।

(চ) বাক্যৰ নিকটস্থ অংগ বা আসন্ন অংগ বুলিলে কি বুজা ? উদাহৰণৰ সহায়ত বিচাৰ কৰা।

৪। (ক) ব্যাকৰণ কাক বোলে ? ব্যাকৰণ ৰচনাৰ উদ্দেশ্য কি ? অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চাৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা। ১+২+৭=১০

অথবা

(খ) "অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাস অতি অৰ্বাচীন।" কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি প্ৰচলিত ব্যাকৰণসমূহে অসমীয়া ভাষাৰ স্বকীয় ৰূপ উদ্‌ঘাটনত কিমানদূৰ সফল হৈছে, আলোচনা কৰা। ৪+৬=১০

৫। (ক) বিশিষ্ট ধ্বনি কাক বোলে? অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি এইবোৰৰ এখন তালিকা যুগুত কৰা। অসমীয়া ভাষাত এই ধ্বনিবোৰ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়? ১+১+৫+৩=১০

*অথবা*

(খ) শ্বাসাঘাত কাক বোলে? অসমীয়া ভাষাৰ শ্বাসাঘাতৰ প্ৰকাৰ আৰু ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

৬। (ক) ব্যাকৰণ সিদ্ধ লিংগ কাক বোলে? লিংগ ভেদ বুজাবলৈ অসমীয়া ভাষাত কি কি উপায় অবলম্বন কৰা হয়, উদাহৰণৰ সহায়ত আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতি কাক বোলে? অসমীয়া ভাষাৰ সৰ্গৰ শ্ৰেণী বিভাজন সম্পৰ্কে আলোচনা কৰা।

১+১+৮=১০

৭। (ক) বাক্যতত্ত্ব বুলিলে কি বুজা? ভাৱ আৰু গঠন অনুসৰি অসমীয়া ভাষাৰ বাক্যক কি কি ভাগত ভগাব পাৰি, উদাহৰণৰ সহায়ত বুজাই লিখা। ২+৮=১০

*অথবা*

(খ) বাক্যতাত্ত্বিক বিশ্লেষণ কাক বোলে? চমস্কিৰ খণ্ডবাক্য গঠনৰ নিয়ম অনুসৰি অসমীয়া বাক্যৰ বিশ্লেষণ সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

* * *

# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HE–5016

**( Study of Assamese Folk Literature )**

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া লোক-সাহিত্যক কেইটা ভাগত ভাগ কৰিছে?

(খ) হেমচন্দ্ৰ গোস্বামীৰ মতে অসমীয়া গীতি যুগৰ সময় কিমান?

(গ) নিচুকণি গীত কোন শ্ৰেণীৰ লোকগীতৰ অন্তৰ্গত?

(ঘ) 'পানী কৰতি' পুথিখন কি ভাষাত ৰচিত?

(ঙ) জনপ্ৰবাদ অনুসৰি ডাক পুৰুষৰ জন্মস্থান ক'ত?

(চ) 'ঐনিতম' অসমৰ কোনটো জনগোষ্ঠীৰ লোকগীত ?

(ছ) সকলোতকৈ প্ৰাচীন বুৰঞ্জীমূলক গীতটোৰ নাম কি ?

(জ) 'পানেশ্বৈ' কোন শ্ৰেণীৰ মালিতাৰ অন্তৰ্গত ?

(ঝ) 'মালিনী বাৰীৰ' কথা কোনটো গীতত পোৱা যায় ?

(ঞ) 'বাৰমাহী' গীতত কেইটা মাহৰ কথা পোৱা যায় ?

২ । চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) মন্ত্ৰ সাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

(খ) দুবিধ জনশ্ৰুতিমূলক গীতৰ নাম লিখা ।

(গ) দুটা সমকালীন মালিতাৰ নাম উল্লেখ কৰা ।

(ঘ) নাৰীসকলৰ মাজত প্ৰচলিত দুবিধ ধৰ্মীয় গীতৰ নাম লিখা ।

(ঙ) 'নলুৱা-চলুৱাৰ গীত' অসমৰ কোনটো জনগোষ্ঠীৰ গীত আৰু ইয়াৰ মূলভাৱটো কি ?

৩ । চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ডাকৰ বচন

(খ) অনুষ্ঠানমূলক লোকগীত

(গ) বুৰঞ্জীমূলক গীত

(ঘ) ৰাভাসকলৰ গছকটা গীত

(ঙ) কন্যা বাৰমাহী গীত

(চ) মিচিংসকলৰ 'মিবু আঃ বাং' গীত





৪ । (ক) অসমীয়া লোক-সাহিত্যৰ বৈশিষ্ট্যসমূহ নিৰূপণ কৰি ইয়াৰ শ্ৰেণীবিভাজন কৰি দেখুওৱা । ১০

*অথবা*

(খ) বড়ো অথবা ৰাভা জনগোষ্ঠীৰ লোক-সাহিত্য সম্পৰ্কে এটি আলোচনা যুগুত কৰা । ১০

৫ । (ক) অসমীয়া মন্ত্ৰ-সাহিত্য সম্পৰ্কে বিৱৰি লিখা । ১০

*অথবা*

(খ) ফকৰা-যোজনাবোৰৰ মাজেৰে লোকমনৰ কি স্বৰূপ প্ৰকাশ পাইছে, আলোচনা কৰা । ১০

৬ । (ক) নাৰীকেন্দ্ৰিক জনশ্ৰুতিমূলক আখ্যান-গীতৰ সন্দৰ্ভত এটি আলোচনা দাঙি ধৰা । ১০

*অথবা*

(খ) দুটামান কৃত্ৰিম মালিতাৰ বিষয়বস্তু সম্পৰ্কে তোমাৰ অভিমত ব্যক্ত কৰা । ১০

৭ । (ক) অসমৰ যি কোনো এটা জনগোষ্ঠীৰ উৎসৱৰ লগত জড়িত গীতসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা । ১০

*অথবা*

(খ) বাৰমাহী গীতত প্ৰেম আৰু বিৰহৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা । ১০

★ ★ ★

# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসবাদী কবিতা )

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰমণ্যাসবাদ' নামৰ গ্ৰন্থখনিৰ লেখকগৰাকীৰ নাম কি?

(খ) অসমীয়া সাহিত্যত ৰমণ্যাসবাদৰ যুগ কেতিয়াৰ পৰা আৰম্ভ হৈছিল?

(গ) 'কবিতা হয় যদি হওঁক, নহয় যদি নহওঁক' বুলি কবিতা ৰচনা কৰা কবিগৰাকী কোন?

(ঘ) মফিজুদ্দিন আহমদ হাজৰিকাৰ 'আত্মন' নামৰ কবিতাটি কবিৰ কোনখন কবিতাপুথিৰ অন্তৰ্গত?

(ঙ) "কল্পনা প্ৰৱণতাৰ অসামান্য বিকাশেই ৰমণ্যাসবাদ। (Romanticism is the extraordinary development of imaginative sensibility.)" কথাষাৰ কোনে কৈছে?

(চ) 'প্ৰিয়তমাৰ চিঠি' নামৰ কবিতাটি কোন পাশ্চাত্য কবিৰ চনেটৰ আৰ্হিত ৰচনা কৰিছিল?

(ছ) সাহিত্য অকাডেমী পুৰস্কাৰপ্ৰাপ্ত প্ৰথম অসমীয়া সাহিত্যিকগৰাকীৰ নাম কি?

(জ) অম্বিকাগিৰি ৰায়চৌধুৰীয়ে ৰচনা কৰা প্ৰথম কবিতা-পুথিখনৰ নাম কি?

(ঝ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কবিতাটি কেইটা তৰংগত বিভক্ত?

(ঞ) শৈলধৰ ৰাজখোৱাৰ একমাত্ৰ কবিতাপুথিখনৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) "জোনাকীৰ পূৰ্বেই পাশ্চাত্য ইংৰাজী কাব্য কবিতাৰ প্ৰভাৱে অসমীয়া দুই এজন শিক্ষিত কবিক অনুপ্ৰাণিত কৰিছিল।" সেইসকলৰ ভিতৰৰ দুজনৰ নাম লিখা।

(খ) কোনগৰাকী কবিৰ, কোনটো কবিতাৰ যোগেদি অসমীয়া সাহিত্যলৈ ৰমণ্যাসিক কবিতাৰ আগমন ঘটে?

(গ) ৰোমাণ্টিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) 'শাপমুক্তা' কবিতাত শাপভ্ৰষ্টা উৰ্বশীক কবিয়ে কি কি সম্বোধনেৰে উঠিবলৈ কৈছে?

(ঙ) ৰত্নকান্ত বৰকাকতিৰ কবিতাত প্ৰভাৱ পৰা এগৰাকী বিদেশী আৰু এগৰাকী স্বদেশী কবিৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ৰমণ্যাস ভাবাদৰ্শৰ লগত সুৰ মিলাবলৈ অসমীয়া কবিসকলে কি কি অনুকূল পৰিৱেশ পাইছিল? আলোচনা কৰা।





(খ) "কোনে কয় সিটি হৰিণা পোহালি
ইমান চেতনা নাই;
বনৰ সৌন্দৰ্যই ৰূপ ধৰি আহি
দেও দি দুৰৰি যায়।"

উক্ত কবিতাফাঁকিৰ মাজেৰে ৰমণ্যাসবাদী কবিতাৰ কি কি লক্ষণ প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) চনেট কবিতা কাক বোলে? 'প্ৰিয়তমাৰ চিঠি' কবিতাৰ আধাৰত চনেট কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা। ১+৪=৫

(ঘ) "শেৱালিৰ কবি ৰূপে খ্যাতি লাভ কৰা ৰত্নকান্ত বৰকাকতি মুখ্যতঃ প্ৰেমৰ কবি।" কথাষাৰ 'বিশ্বস্বৰ' কবিতাৰ আধাৰত বিচাৰ কৰা।

(ঙ) 'বিশ্বশিল্পী' কবিতাৰ মাজেৰে প্ৰকৃত শিল্পীৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(চ) 'আহ্বান' কবিতাৰ বিষয় আৰু মূলভাব লিখা।

৪। (ক) ৰমণ্যাসবাদ বুলিলে কি বুজা? ৰমণ্যাসবাদৰ লক্ষণসমূহ কি কি? অসমীয়া ৰমণ্যাসবাদী কবিতাৰ ক্ৰমবিকাশৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা। ২+৩+৫=১০

অথবা

(খ) অসমীয়া ৰমণ্যাসবাদী কবিতাৰ লক্ষণবোৰ বা বৈশিষ্ট্যবোৰ বিচাৰ কৰি চন্দ্ৰকুমাৰ আগৰৱালাৰ 'নিয়ৰ' কবিতাটোত কোনবোৰ লক্ষণ ফুটি উঠিছে, বিশ্লেষণ কৰা। ১০

৫। (ক) "তেওঁৰ কবিতাৰ মাজত প্ৰকাশ পোৱা প্ৰকৃতি সাধাৰণ হৈও অসাধাৰণ। আমাৰ চাৰিওফালৰ চিনাকি প্ৰকৃতিৰ তেওঁ কল্পনা আৰু অনুভৱেৰে এক বিচিত্ৰ মায়াময় ছবি আঁকিছে।" ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' (প্ৰথম তৰংগ) কবিতাৰ আধাৰত উক্ত কথাষাৰৰ সত্যাসত্য বিচাৰ কৰা। ১০

*অথবা*

(খ) ''যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' নামৰ কবিতাত ৰমণ্যাসবাদী কবিতাৰ প্ৰেম, সৌন্দৰ্য, আশা-নিৰাশাৰ প্ৰতিফলন কিদৰে ঘটিছে, আলোচনা কৰি দুৱৰাৰ 'সোণোৱালী দেশ'ৰ স্বৰূপ সম্বন্ধে তোমাৰ ধাৰণা ব্যক্ত কৰা। ৭+৩=১০

৬। (ক) ৰহস্যবাদ বা অতীন্দ্ৰীয়বাদ বুলিলে কি বুজা? ইয়াৰ লক্ষণ 'পৰশমণি' কবিতাৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) ''ৰাজখোৱাৰ নিমজ ৰচনাৰীতি, সাৱলীল ছন্দগতি, কল্পনাপ্ৰৱণ ৰোমাণ্টিক দৃষ্টিভংগীৰ অভিব্যক্তি কবিতাসমূহত লক্ষ্য কৰা যায়।'' উক্ত কথাৰ ভিত্তিত শৈলধৰ ৰাজখোৱাৰ 'বিদায়পৰত' কবিতাৰ এক আলোচনা আগবঢ়োৱা। ১০

৭। (ক) 'হে জননী ভাৰতবৰ্ষ' কবিতাত ভাৰতীয় ঐক্য-সংহতি আৰু ৰমণ্যাসিক আশাবাদৰ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) ৰমণ্যাসিক ভাবাদৰ্শৰ আধাৰত 'শাপমুক্তা' আৰু 'লালকিল্লা' কবিতা দুটাৰ সাদৃশ্য বিচাৰ কৰা। ১০

★★★

# 2 0 2 1

( Held in 2022 )

ASSAMESE

Paper : ASM–RE–5016

**( Sankardeva )**

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) শংকৰদেৱে জীৱনৰ শেষ বয়সত ৰচনা কৰা নাটখনৰ নাম কি?

(খ) শংকৰদেৱ আৰু মাধৱদেৱৰ মণিকাঞ্চন-সংযোগ (প্ৰথম মিলন) কোন স্থানত হৈছিল?

(গ) বৰগীতক কোনে 'Holy Songs' আখ্যা দিছে?

(ঘ) 'কীৰ্ত্তন'ৰ ভাবাদৰ্শৰ সৈতে মিল থকা 'সহস্ৰ নাম বৃত্তান্ত' খণ্ডটিৰ ৰচক কোন?

(ঙ) শংকৰদেৱে সংস্কৃত ভাষাত ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

(চ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটি কি ৰাগত ৰচিত?

(ছ) 'গজেন্দ্ৰ উপাখ্যান'ত বৰ্ণিত বনখনৰ নাম কি?

(জ) 'কীৰ্ত্তন' পুথিৰ কোনটো খণ্ডত বকাসুৰ বধৰ কাহিনী বৰ্ণিত হৈছে?

(ঝ) শংকৰদেৱ প্ৰণীত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগৰ আধাৰগ্ৰন্থ কি?

(ঞ) 'পাৰিজাত হৰণ' নাটত কাক বধ কৰিবলৈ ইন্দ্ৰই স্বৰ্গৰ পৰা আহি শ্ৰীকৃষ্ণক অনুৰোধ জনাইছে?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) অংকীয়া নাটৰ সৃষ্টিত প্ৰভাৱ পৰা অসমৰ দুটা লোক-নাট্যধৰ্মী অনুষ্ঠানৰ নাম লিখা।

(খ) 'শাৰঙ্গ পাণি ...' বৰগীতটিত ব্যৱহৃত 'শাৰঙ্গ' আৰু 'পাণি' শব্দ দুটাই কি অৰ্থ প্ৰকাশ কৰিছে, লিখা।

(গ) "ৰাজাক সাদৰি মুনি বুলিলা বচন।"

কোন মুনিয়ে, কোন ৰজাৰ আগত 'গজেন্দ্ৰ উপাখ্যান' ব্যক্ত কৰিছে?

(ঘ) ৰজা হৰিশ্চন্দ্ৰৰ পত্নী আৰু পুত্ৰৰ নাম কি?

(ঙ) 'পাৰিজাত হৰণ' নাটত শ্ৰীকৃষ্ণৰ কোন দুগৰাকী পত্নীৰ উল্লেখ আছে?





৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) শংকৰদেৱ বিৰচিত 'পাৰিজাত হৰণ' নাটৰ পটভূমি বিশ্লেষণ কৰা।

(খ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটিৰ বিষয়বস্তুৰ তাৎপৰ্য বিচাৰ কৰা।

(গ) " 'কীৰ্ত্তন' মহাপুৰুষৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন ..." কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) শংকৰদেৱ বিৰচিত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত বৰ্ণিত বিশ্বামিত্ৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটত হাস্যৰস কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা।

৪। (ক) শংকৰদেৱৰ চমু পৰিচয় দাঙি ধৰি তেখেতৰ সাহিত্যকৃতিৰ শ্ৰেণীবিভাগসহ পৰিচয়মূলক টোকা যুগুত কৰা। ৪+৬=১০

*অথবা*

(খ) শংকৰদেৱৰ নাটৰ বিশেষত্বসমূহ উল্লেখ কৰি মাধৱদেৱৰ নাটৰ সৈতে এক তুলনামূলক আলোচনা প্ৰস্তুত কৰা। ৪+৬=১০

৫। (ক) 'বৰগীত' নামৰ তাৎপৰ্য ব্যাখ্যা কৰা আৰু এক বিশিষ্ট সংগীতধাৰা হিচাপে বৰগীতৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা। ৪+৬=১০

*অথবা*

(খ) 'কীৰ্ত্তন' পুথিৰ 'গজেন্দ্ৰ উপাখ্যান' আৰু 'শিশুলীলা'ত ভক্তিতত্ত্বৰ প্ৰকাশ কেনেদৰে ঘটিছে, বিশ্লেষণ কৰা। ৫+৫=১০

৬। (ক) শংকৰদেৱৰ বিৰচিত 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ "প্ৰতিটো চৰিত্ৰই মূলতকৈ সুস্পষ্ট ভূমিকা গ্ৰহণ কৰিছে" বুলি সমালোচকে কৰা মন্তব্যৰ সমৰ্থনত তোমাৰ যুক্তি আগবঢ়োৱা। ১০

*অথবা*

(খ) "... 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ কাব্য-সৌন্দৰ্য অস্বীকাৰ কৰিব নোৱাৰি। কৰুণ আৰু হাস্যৰসেৰে কাব্যখন আস্বাদনীয় হৈছে।" 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত প্ৰকাশ পোৱা কৰুণ আৰু হাস্যৰস সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

৭। (ক) শংকৰদেৱে 'পাৰিজাত হৰণ' নাটৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰত দেখুওৱা বিচক্ষণতা সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) "শংকৰদেৱৰ নাটসমূহৰ ভিতৰত নাটকীয় গুণলৈ দৃষ্টি ৰাখি 'পাৰিজাত হৰণ'কে উৎকৃষ্ট বুলিব পাৰি।" কথাখিনিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা। ১০

★★★

**2 0 2 1**

( Held in 2022 )

# ASSAMESE

Paper : ASM–SE–5014

( Skill Enhancement )

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×৫=৫

(ক) বেদৰ আন এটা নাম কি?

(খ) আবৃত্তিৰ ইংৰাজী প্ৰতিশব্দ কি?

(গ) আবৃত্তিৰ আভিধানিক অৰ্থ কি?

(ঘ) ছন্দৰ মূল কি?

(ঙ) আবৃত্তিৰ যি কোনো এবিধ কৌশলৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া : ২×৩=৬

(ক) ৰামায়ণৰ সৃষ্টি কোনটো শ্লোকৰ পৰা হৈছিল ?

(খ) ধ্বনি কাক বোলে ?

(গ) আবৃত্তি কিয় কৰা হয় ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) যতি কাক বোলে ? ই কেই প্ৰকাৰৰ আৰু কি কি ? প্ৰত্যেকৰে সূত্ৰ লিখা।

(খ) ছন্দ বুলিলে কি বুজা ? বুজাই লিখা।

(গ) আবৃত্তি আৰু সাধাৰণ পাঠৰ মাজত কি কি পাৰ্থক্য দেখা যায়, আলোচনা কৰা।

(ঘ) আবৃত্তিৰ সৈতে আবেগৰ সম্পৰ্ক কি, বুজাই লিখা।

(ঙ) আবৃত্তিৰ সৈতে স্মৃতিশক্তিৰ সম্পৰ্ক কেনেকুৱা, ব্যাখ্যা কৰা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৮×৩=২৪

(ক) আবৃত্তিৰ ইতিহাস আৰু পৰম্পৰা সম্পৰ্কে ব্যাখ্যা কৰা।

(খ) আবৃত্তি এটি প্ৰস্তুত কৰিবৰ বাবে কি কি দিশৰ ওপৰত গুৰুত্ব দিব লাগে, আলোচনা কৰা।

(গ) শ্বাস প্ৰশ্বাসৰ সৈতে আবৃত্তিৰ সম্পৰ্ক কি ? বুজাই লিখা।





(ঘ) কবিতা এটিক আবৃত্তিৰ ৰূপত উপস্থাপনৰ ক্ষেত্ৰত ছন্দ, ধ্বনি, যতি আৰু বাক্যগতিৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰা।

(ঙ) আবৃত্তিৰ স্বৰূপ বিচাৰ কৰি, আবৃত্তিত সুৰ আৰু লয়ৰ প্ৰয়োগ সম্পৰ্কে বিতংকৈ লিখা।

* * *